रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1.] NEW DELHI, 24 DAY, MARCH 2014, 9 CHATRA, 1936, (SAKA) [Vol : 8**
**নং ১ ] নতুন দিল্লী, ২৪ দিন, মাৰ্চ ২০১৪, ৯ চ'ত, ১৯৩৬ (শক) [খণ্ড : ৮**

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
( বিধান বিভাগ )

নতুন দিল্লী, ১৬ আগষ্ট, ২০১৩ /২৫ শাওন, ১৯৩৫ (শক)

(১) দি এডভ'কেট্‌চ ওৱেল-ফেয়াৰ ফাণ্ড এক্ট, ২০০১ (২০০১ৰ ৪৫)
(২) দি প্ৰ'টেক্‌শ্বন অভ প্লেণ্ট ভেৰাইটিচ এণ্ড ফাৰ্মাৰচ্ ৰাইট্‌চ এক্ট, ২০০১ (২০০১ৰ ৫৩)
(৩) দি হজ কমিটি এক্ট, ২০০২ (২০০২ৰ ৩৫)
(৪) দি বায়'লজিকেল ডাইভাৰ্চিটি এক্ট, ২০০২ (২০০৩ ৰ ১৮)
(৫) দি প্ৰ'তেক্‌শ্বন অভ ৱ'মেন ফ্ৰম ডমেচটিক ভায়অ'লেঞ্চ এক্ট, ২০০৫ (২০০৫ৰ ৪৩)
(৬) দি ডিজেচ্‌টাৰ মেনেজ্‌মেণ্ট এক্ট, ২০০৫ (২০০৫ৰ ৫৩)

নিম্নলিখিত অসমীয়া অনুবাদ এত দ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধিসমূহ) অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 16th August, 2013/25, Sawan, 1935 (SAKA)
The Translations in Assamese of the following namely : -

1. The Advocates' Welfare Fund Ad, 2001(N0. 45 of 2001).
2. The Protection of Plant Varieties And Earmer's Right Act, 2001. (No. 53 of 2001)
3. The Haj Committee Act, 2002. (Act. No 35 of 2002)
4. The Biological Diversity Act, 2002. (Act No. 18 of 2003)
5. The Protection of Women from Domestic Violence Act, 2005 (Act No. 43 of 2005)
6. The Disaster Management Act, 2005. (No. 53 of 2005)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts ( Central laws ) Act, 1973 ( 50 of 1973 ).

# অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ২০০১

(২০০১ ৰ সংখ্যা ৪৫)

[১৪চেপ্তেম্বৰ,২০০১ ]

অধিবক্তাসকলৰ হিতৰ বাবে এটা কল্যাণ নিধি গঠনৰ বাবে আৰু তাৰ সৈতে সম্পৰ্কিত বা তাৰ আনুষঙ্গিক বিষয়বোৰ উপবন্ধিত কৰিবলৈ এখনি অধিনিয়ম ইয়াক ভাৰত গণৰাজ্যৰ দ্বি-পঞ্চাশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে অধিনিয়মিত কৰা হঁওক-

## অধ্যায়-I

## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখন অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ২০০১ নামেৰে অভিহিত হব।

(২) ই সমগ্ৰ ভাৰতলৈ বিস্তাৰিত হ'ব।

(৩) ই এনে তাৰিখৰ পৰা বলবৎ হ'ব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, নিয়ত কৰিব পাৰে ; আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে আৰু বিভিন্ন ৰাজ্যৰ বাবে বিভিন্ন তাৰিখ সমূহ নিয়ত কৰা হয় আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণলৈ এনে কোনো উপবন্ধত থকা যিকোনো প্ৰসঙ্গ নিৰ্দ্দেশ, কোনো ৰাজ্যৰ সম্বন্ধত সেই ৰাজ্যত সেই উপবন্ধৰ বলবৎকৰণত এটা প্ৰসঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ হ'ব।

পৰিভাষা।

২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে,-

(ক) ''অধিবক্তা'' মানে এজন অধিবক্তা যাৰ নাম অধিবক্তা অধিনিয়ম, ১৯৬১ৰ ধাৰা ১৭ৰ অধীনত এখন ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা প্ৰস্তুত আৰু সংৰক্ষিত ৰাজ্যিক সদস্য তালিকাত প্ৰবিষ্ট কৰা হৈছে আৰু যিজন ৰাজ্যিক উকীল সন্থা বা ৰাজ্যিক অধিবক্তা সন্থাৰ এজন সদস্য হয়। (১৯৬১ৰ ২৫)

(খ) ''সমুচিত চৰকাৰ'' মানে -

(I) এখন ৰাজ্যৰ এখন উকীল পৰিষদৰ সদস্য তালিকাত নাম ভৰ্ত্তি কৰা অধিবক্তাসকলৰ ক্ষেত্ৰত, ৰাজ্য চৰকাৰ ;

(II) এখন সংঘ ৰাজ্যক্ষেত্ৰৰ এখন উকীল পৰিষদৰ সদস্য তালিকাত নাম ভৰ্ত্তি কৰা অধিবক্তা সকলৰ ক্ষেত্ৰত, কেন্দ্ৰীয় চৰকাৰ ;

(গ) ''ব্যৱসায়ৰ নিবৃত্তি'' মানে অধিবক্তা অধিনিয়ম, ১৯৬১ৰ ধাৰা ২৬কৰ অধীনত ৰাজ্যিক সদস্য তালিকাৰ পৰা এজন অধিবক্তাৰ নামৰ অপসাৰণ ;

১৯৬১ৰ ২৫ (ঘ) ''অধ্যক্ষ'' মানে ধাৰা ৪ৰ উপধাৰা (৩)ৰ খণ্ড (ক)ত নিৰ্দ্দেশিত ন্যাসী সমিতিৰ অধ্যক্ষ ;

(ঙ) ''চনদী গাণনিক্য'' মানে চনদী গাণনিক্য অধিনিয়ম, ১৯৪৯ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (ক)ত পৰিভাষিত দৰে এজন চনদী গাণনিক্য আৰু যিজনে সেই অধিনিয়মৰ ধাৰা ৬ৰ উৰ্পধাৰা (১)ৰ অধীনত ব্যৱসায়ৰ বাবে এখন প্ৰমাণ পত্ৰ লাভ কৰিছে ; (১৯৪৯ৰ ৩৮)

(চ) ''নিৰ্ভৰশীল'' মানে নিধিৰ এজন সদস্যৰ পতি বা পত্নী, পিতৃ-মাতৃ বা নাবালক শিশু ;

(ছ) ''নিধি'' মানে ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত গঠিত অধিবক্তাসকলৰ কল্যাণ নিধি ;

১৯৩৮ৰ ৪ (জ) ''বীমাকাৰী''ৰ বীমা অধিনিয়ম, ১৯৩৮ৰ ধাৰা ২ৰ খণ্ড (৯)ত ইয়ালৈ ন্যস্ত কৰা অৰ্থ থাকিব ;

(ঝ) ''নিধিৰ সদস্য'' মানে নিধিৰ হিতৰ বাবে তালিকাভুক্ত এজন অধিবক্তা আৰু যিজনে এই অধিনিয়মৰ উপবন্ধাৱলীৰ অধীনত তাৰ এজন সদস্য হৈ থাকে ;

(ঞ) ''অধিসূচনা'' মানে সমুচিত চৰকাৰৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা আৰু ''অধিসূচিত'' অভিব্যক্তিৰ তদনুসাৰে অৰ্থ হ'ব ;

(ট) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ঠ) ''অনুসূচী'' মানে এই অধিনিয়মৰ এখন অনুসূচী ;

১৯৩৪ৰ ২ (ড) ''অনুসূচিত বেংক''ৰ ভাৰতীয় ৰিজাৰ্ভ বেংক অধিনিয়ম, ১৯৩৪ৰ ধাৰা ২ৰ খণ্ড (ঙ)ত ইয়ালৈ ন্যস্ত কৰা অৰ্থ হব ;

(ঢ) ''মোহৰ'' মানে ধাৰা ২৬ৰ অধীনত মুদ্ৰিত আৰু বিভাজিত অধিবক্তা কল্যাণ নিধি মোহৰ ;

(ণ) ''ৰাজ্য'' মানে সংবিধানৰ প্ৰথম অনুসূচীত বিনিৰ্দ্দিষ্ট এখন ৰাজ্য আৰু ই এখন সংঘ ৰাজ্যক্ষেত্ৰ অৰ্ন্তভুক্ত কৰিব ;

(ত) ''ৰাজ্যিক অধিবক্তা সন্থা'' মানে ধাৰা ১৬ৰ অধীনত সেই ৰাজ্যৰ উকীল পৰিষদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত এখন ৰাজ্যত অধিবক্তাসকলৰ এটা সন্থা ;

(থ) ''ৰাজ্যিক উকীল সন্থা'' মানে ধাৰা ১৬ৰ অধীনত সেই ৰাজ্যৰ উকীল পৰিষদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অধিবক্তাসকলৰ এটা সন্থা ;

১৯৬১ৰ ২৫ (দ) ''ৰাজ্যিক উকীল পৰিষদ'' মানে অধিবক্তা অধিনিয়ম, ১৯৬১ৰ ধাৰা ৩ত নিৰ্দ্দেশিত উকীল পৰিষদ ;

(ধ) ''ব্যৱসায়ৰ নিলম্বন'' মানে এজন অধিবক্তা ৰূপে ব্যৱসায়ৰ পৰা ইচ্ছাকৃত নিলম্বন বা অসদাচৰণৰ বাবে এখন ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা এজন অধিবক্তাৰ নিলম্বন ;

(ন) ''ন্যাসী সমিতি'' মানে ধাৰা ৪ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত অধিবক্তা কল্যাণ নিধি ন্যাসী সমিতি ;

(প) ''ওকালতনামা'' ই উপস্থিতিৰ স্মাৰক পত্ৰ বা অন্য যিকোনো দস্তাৱেজ অন্তৰ্ভুক্ত কৰে যিটোৰ দ্বাৰা এজন অধিবক্তাক যিকোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰৰ সন্মুখত উপস্থিত হবলৈ বা ওকালতি কৰিবলৈ ক্ষমতা অৰ্পিত কৰা হয় ;

১৯৬১ৰ ২৫ (ফ) এই অধিনিয়মত ব্যৱহৃত হোৱা আৰু পৰিভাষিত নোহোৱা কিন্তু অধিবক্তা অধিনিয়ম, ১৯৬১ত পৰিভাষিত শব্দ আৰু অভিব্যক্তিবোৰৰ সেই অধিনিয়মত সেইবোৰত যথাক্ৰমে ন্যস্ত কৰা দৰে অৰ্থ থাকিব ।

## অধিবক্তা কল্যাণ নিধিৰ অধিনিয়ম, ২০০১

### অধ্যায়-II

### অধিবক্তা কল্যাণ নিধি গঠন

অধিবক্তা কল্যাণ নিধি। ৩। (১) সমুচিত চৰকাৰে ''অধিবক্তা কল্যাণ নিধি'' নামেৰে এটা নিধি গঠন কৰিব।

(২) সেই নিধিত নিম্নলিখিতসমূহ জমা হ'ব -

(ক) ধাৰা ১৫ৰ অধীনত এখন ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা আদায় দিয়া সকলো ধনৰাশি ;

(খ) এখন ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা দিয়া অন্য কোনো বৰঙণি ;

(গ) ভাৰতীয় উকীল পৰিষদ, কোনো ৰাজ্যিক উকীল সন্থা, যিকোনো ৰাজ্যিক অধিবক্তা সন্থা বা অন্য সন্থা বা প্ৰতিষ্ঠান বা কোনো অধিবক্তা বা অন্য ব্যক্তিৰ দ্বাৰা নিধিলৈ দিয়া কোনো ঐচ্ছিক দান বা বৰঙণি ;

(ঘ) কোনো মঞ্জুৰী যিটো কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা এই মৰ্ম্মে সম্যক বিনিয়োগৰ পাছত নিধিলৈ প্ৰদান কৰা হয় ;

(ঙ) ধাৰা ১২ৰ অধীনত ধাৰ কৰা যিকোনো ৰাশি ;

(চ) ধাৰা ১৮ৰ অধীনত সংগৃহীত সকলো ৰাশি ;

(ছ) যিকোনো সমূহীয়া বীমা পলিচিৰ অধীনত নিধিৰ কোনো সদস্যৰ মৃত্যুত ভাৰতীয় জীৱন বীমা নিগমত বা কোনো অন্য বীমাকাৰীৰ পৰা প্ৰাপ্ত সকলো ধনৰাশি ;

(জ) নিধিৰ সদস্যসকলৰ সমূহীয়া বীমা পলিচিসমূহৰ অধীনত ভাৰতীয় জীৱন বীমা নিগমৰ বা অন্য বীমাকাৰীৰ পৰা প্ৰাপ্ত যিকোনো লাভ বা লাভাংশ বা প্ৰত্যাৰ্পিত ধন ;

(ঝ) নিধিৰ যিকোনো অংশৰ পৰা দিয়া বিনিয়োগৰ ওপৰত পোৱা কোনো সুদ বা লাভাংশ বা অন্য প্ৰত্যাৰ্পণ ;

(ঞ) ধাৰা ২৬ৰ অধীনত ষ্টাম্প বিক্ৰীৰ দ্বাৰা সংগৃহীত সকলো ৰাশি ;

(৩) উপধাৰা(২)ত বিনিৰ্দ্দিষ্ট ৰাশিসমূহ এনে অভিকৰণৰ দ্বাৰা এনে বিৰতিত আৰু এনে ৰীতিত আদায় দিয়া, বা সংগ্ৰহ কৰা হব, যিদৰে বিহিত কৰা হয় ।

### অধ্যায়-III

### ন্যাসী সমিতিৰ স্থাপন

ন্যাসী সমিতিৰ স্থাপন। ৪। (১)সমুচিত চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই মৰ্ম্মে নিয়ত কৰা, এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ ''অধিবক্তাসকলৰ কল্যাণ নিধি ন্যাসী সমিতি'' নামেৰে এটা ন্যাসী সমিতি স্থাপন কৰিব।

(২) ন্যাসী সমিতি, সম্পত্তিৰ অধিগ্ৰহণ, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ শ্বাশ্বত উত্তৰাধিকাৰ থকা আৰু ক্ষমতাসহ এটা সাধাৰণ মোহৰ থকা নিগমিত নিকায় হব, আৰু উক্ত ন্যাসৰ দ্বাৰা বাদ কৰিব আৰু বাদ যুক্ত হ'ব;

(৩) ন্যাসী সমিতি নিম্নলিখিতসকলৰে গঠিত হ'ব-

(ক) এখন ৰাজ্যৰ মহাধিবক্তা- পদেন অধ্যক্ষ ঃ

পৰন্তু য'ত এখন ৰাজ্যত মহাধিবক্তা নাই, সমুচিত চৰকাৰে এজন জেষ্ঠ অধিবক্তাক অধ্যক্ষ বুলি মনোনীত কৰিব ; পদেন সদস্য ;

(খ) ইয়াৰ বিধি বিভাগৰ বা মন্ত্ৰালয়ৰ সমুচিত চৰকাৰী সচিব - পদেন সদস্য ;

(গ) ইয়াৰ গৃহ বিভাগ বা মন্ত্ৰালয়ৰ সমুচিত চৰকাৰী সচিব- পদেন সদস্য ;

(ঘ) ৰাজ্যিক উকীল পৰিষদৰ অধ্যক্ষ- সদস্য ;

(ঙ) সমুচিত চৰকাৰৰ দ্বাৰা মনোনীত চৰকাৰী উকীল বা লোক অভিযোজক - সদস্য ;

(চ) ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা মনোনীত দুজন অধিবক্তা- পদেন, সচিব।

১৯৬১ৰ ২৫ (ছ) ৰাজ্যিক উকীল পৰিষদৰ সচিব -

(৪) উপধাৰা (৩)ৰ খণ্ড (ক)ৰ পৰন্তুকৰ অধীনত মনোনীত অধ্যক্ষই তেওঁ পদত যোগদান কৰা তাৰিখৰ পৰা তিনি বছৰৰ অধিক নোহোৱা এটা কালৰ বাবে পদ ধাৰণ কৰিব।

(৫) উপধাৰা (৩)ৰ খণ্ড(ঙ) বা খণ্ড(চ)ৰ অধীনত মনোনীত ন্যাসী সমিতিৰ প্ৰত্যেক সদস্যই তেওঁ পদত যোগদান কৰা তাৰিখৰ পৰা তিনি বছৰৰ অধিক নোহোৱা এটা কালৰ বাবে পদ ধাৰণ কৰিব।

ন্যাসী সমিতিৰ অধ্যক্ষ বা সদস্যৰ অনহৰ্তা আৰু অপসাৰণ।

৫। (১) সমুচিত চৰকাৰে ন্যাসী সমিতিৰ অধ্যক্ষক বা কোনো সদস্যক পদৰ পৰা অপসাৰণ কৰিব, যিজন-

(ক) দেউলীয়া হয় বা যিকোনো সময়ত দেউলীয়া বুলি অধিনিৰ্ণীত কৰা হৈছে; বা

(খ) ন্যাসী সমিতিৰ অধ্যক্ষ বা এজন সদস্য হিচাবে কাৰ্য্যনিৰ্বাহ কৰিবলৈ শাৰিৰীক বা মানসিকভাৱে অসমৰ্থ হয় ; বা

(গ) এটা অপৰাধত দোষীসাব্যস্ত কৰা হৈছে যিটো সমুচিত চৰকাৰৰ মতত নৈতিক ভ্ৰষ্টতাত লিপ্ত ; বা

(ঘ) এনে বিত্তীয় বা অন্য স্বাৰ্থ অভিগ্ৰহণ কৰিছে যিটোৱে ন্যাসী সমিতিৰ অধ্যক্ষ বা এজন সদস্যৰূপে তেওঁৰ কৃত্যবোৰত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে ;

(ঙ) তেওঁৰ পদমৰ্য্যদা এনেদৰে অপব্যৱহাৰ কৰিছে যে পদত তেওঁৰ নিৰন্তৰতা লোক স্বাৰ্থত ক্ষতিকাৰক ; বা

(চ) ন্যাসী সমিতিৰ অনুমতি নোহোৱাকৈ বা যিকোনো সময়ত ন্যাসী সমিতিৰ তিনিখনৰ অধিক ক্ৰমাগত সভাত অনুপস্থিত থাকে ঃ

পৰন্তু ন্যাসী সমিতিয়ে, পৰ্য্যাপ্ত কাৰণৰ ওপৰত, এনে অধ্যক্ষ বা সদস্যৰ অনুপস্থিতি মাৰ্জনা কৰিব পাৰে।

(২) উপধাৰা (১)ৰ খণ্ড (ঘ) বা খণ্ড (ঙ)ৰ অধীনত ন্যাসী সমিতিৰ কোনো এনে অধ্যক্ষ বা সদস্যক অপসাৰণ কৰা নহব যদি তেওঁক শুনানীৰ বাবে এটা যুক্তি সঙ্গত সুযোগ দিয়া নহয়।

ন্যাসী সমিতিৰ মনোনীত অধ্যক্ষ আৰু সদস্যৰ দ্বাৰা পদত্যাগ আৰু আকস্মিক পদৰিক্তি পূৰণ।

৬। (১) ধাৰা ৪ৰ উপধাৰা (৪)ত নিৰ্দ্দেশিত অধ্যক্ষ বা সেই ধাৰাৰ উপধাৰা (৩)ৰ খণ্ড(ঙ) ৰ অধীনত মনোনীত এজন সদস্যই সমুচিত চৰকাৰলৈ তিনি মাহৰ লিখিত জাননীৰ দ্বাৰা পদত্যাগ কৰিব পাৰে আৰু এনে পদত্যাগ সমুচিত চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰাৰ পাছত এনে অধ্যক্ষ বা সদস্যই তেওঁৰ পদ ৰিক্ত কৰি দিব।

(২) ধাৰা ৪ৰ উপধাৰা(৩)ৰ খণ্ড(চ)ৰ অধীনত মনোনীত এজন সদস্যই ৰাজ্যিক উকীল পৰিষদলৈ লিখিত তিনিমাহৰ জাননী দি তেওঁৰ পদত্যাগ কৰিব পাৰে আৰু এনে পদত্যাগ পত্ৰ ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা গ্ৰহণ কৰা এনে সদস্যই তেওঁৰ পদ ৰিক্ত কৰি দিব।

(৩) উপধাৰা (১)ত নিৰ্দ্দেশিত অধ্যক্ষ বা এজন সদস্য, যিজনে পদত্যাগ কৰিছে কাৰ্য্যালয়ত থকা আকস্মিক পদৰিক্তিটো সমুচিত চৰকাৰৰ দ্বাৰা যথাশীঘ্ৰে পূৰণ কৰা হব আৰু এনেদৰে মনোনীত অধ্যক্ষ বা এজন সদস্যই অধ্যক্ষ বা সদস্যৰূপে কেৱল সিমান দিনলৈ পদ ধাৰণ কৰিব যাৰ স্থানত তেওঁক মনোনীত কৰা হৈছে পদ ধাৰণ কৰিবলৈ হকদাৰ হ'লহেঁতেন যদি পদৰিক্তি নহ'লহেঁতেন।

(৪) উপধাৰা (২)ত নিৰ্দ্দেশিত এজন সদস্য, যিজনে পদত্যাগ কৰিছে কাৰ্য্যালয়ত থকা আকস্মিক পদৰিক্তিটো, ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা, যথাশীঘ্ৰে পূৰণ কৰা হব আৰু এনেদৰে মনোনীত এজন সদস্যই সদস্যৰূপে কেৱল সিমান দিনলৈ পদ ধাৰণ কৰিব যাৰ স্থানত তেওঁক মনোনীত কৰা হৈছে পদ ধাৰণ কৰিবলৈ হকদাৰ হ'লহেঁতেন যদি পদৰিক্তি নহ'লহেঁতেন।

পদৰিক্তি,ইত্যাদিয়ে ন্যাসী সমিতিৰ কাৰ্য্যবাহীসমূহ অবিধিমান্য নকৰিব।

৭। ন্যাসী সমিতিৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী কেৱল নিম্নলিখিত কাৰণসমূহৰ দ্বাৰা অবিধিমান্য নহব ;

(ক) ন্যাসী সমিতিৰ যিকোনো পদৰিক্তি, বা গঠনৰ কোনো ত্ৰুটীত ; বা

(খ) ন্যাসী সমিতিৰ অধ্যক্ষ বা এজন সদস্যৰূপে কাৰ্য্য কৰা এজন ব্যক্তিৰ মনোনয়নত যিকোনো ত্ৰুটী বা অনিয়মতাত ;

(গ) গোচৰবোৰৰ উপযুক্ততাত প্ৰভাৱিত নকৰা ন্যাসী সমিতিৰ প্ৰক্ৰিয়াত কোনো অনিয়মতাত।

ন্যাসী সমিতিৰ সভাসমূহ।

৮। (১) ন্যাসী সমিতিয়ে প্ৰত্যেক তিনিটা পঞ্জী মাহত কমেও এবাৰ মিলিত হব আৰু এই অধিনিয়ম আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত ব্যৱসায়ৰ লেন-দেন কৰিবলৈ প্ৰত্যেক বছৰত কমেও এনে চাৰিখন সভা বহিব।

(২) ন্যাসী সমিতিৰ তিনিজন সদস্যই ন্যাসী সমিতিৰ এখন সভাৰ বাবে এটা থূল গঠন কৰিব।

(৩) ন্যাসী সমিতিৰ অধ্যক্ষ বা, যদিহে, যিকোনো কাৰণৰ বাবে, তেওঁ ন্যাসী সমিতিৰ এখন সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, ন্যাসী সমিতিৰ সদস্যসকলৰ দ্বাৰা নিৰ্বৰ্বাচিত তেওঁলোকৰ মাজৰ পৰা সভাত উপস্থিত থকা অন্য যিকোনো সদস্যই সভাত সভাপতিত্ব কৰিব।

(৪) ন্যাসী সমিতিৰ এখন সভাত উদ্ভৱ হোৱা সকলো প্ৰশ্ন, উপস্থিত থকা আৰু ভোটদান কৰা ন্যাসী সমিতিৰ সদস্যসকলৰ এটা সংখ্যাগৰিষ্ঠৰ দ্বাৰা আৰু ভোটৰ দ্বাৰা বিনিশ্চিত কৰা হব আৰু, ভোটৰ সমতুল্যতাৰ ক্ষেত্ৰত অধ্যক্ষ বা তেওঁৰ অনুপস্থিতিত, সভাপতিত্ব কৰা ন্যাসী সমিতিৰ সদস্যৰ, এটা দ্বিতীয় বা নিৰ্ণায়ক ভোট থাকিব।

ন্যাসী সমিতিৰ মনোনীত অধ্যক্ষ আৰু সদস্যৰ ভ্ৰমণ আৰু দৈনিক ভাট্টা।

৯। ধাৰা ৪ৰউপধাৰা (৪)ত নিৰ্দ্দেশিত অধ্যক্ষ আৰু সেই ধাৰাৰ উপধাৰা (৩)ৰ খণ্ড (ঙ) আৰু (চ)ত নিৰ্দ্দেশিত ন্যাসী সমিতিৰ সদস্যসকলৰ এনে ভ্ৰমণ আৰু দৈনিক ভাট্টা আদায় দিবলৈ হকদাৰ হ'ব যিদৰে ৰাজ্যিক উকীল পৰিষদৰ সদস্যসকললৈ গ্ৰহণযোগ্য হয়।

নিধিৰ ন্যস্তকৰণ আৰু প্ৰয়োগ।

১০। এই অধিনিয়মৰ উপবন্ধবোৰৰ সাপেক্ষে আৰু উদ্দেশ্যবোৰৰ বাবে নিধি, ন্যাসী সমিতিত ন্যস্ত হ'ব আৰু ন্যাসী সমিতিৰ দ্বাৰা ধাৰণ আৰু প্ৰয়োগ কৰা হব।

ন্যাসী সমিতিৰ কৃত্যবোৰ।

১১। (১) এই অধিনিয়মৰ উপবন্ধাৱলীৰ আৰু সম্প্ৰতি বলবৎ থকা কোনো অন্য বিধিৰ সাপেক্ষে ন্যাসী সমিতিয়ে নিধি পৰিচালন কৰিব।

(২) উপধাৰা (১)ত থকা উপবন্ধাৱলীৰ ব্যাপকতাত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ ন্যাসী সমিতিয়ে -

(ক) ন্যাসত নিধিৰ ধনৰাশিসমূহ আৰু পৰিসম্পত্তিবোৰ ধাৰণ কৰিব ;

(খ) নিধিত সদস্য হিচাবে নাম ভৰ্ত্তিকৰণ বা পুনৰ নাম ভৰ্ত্তিকৰণৰ বাবে আবেদনসমূহ গ্ৰহণ কৰিব আৰু তাৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা নবৈব দিনৰ ভিতৰত এনে আবেদনসমূহ নিষ্পত্তি কৰিব ;

(গ) নিধিৰ পৰা আদায়ৰ বাবে নিধিৰ সদস্য, তেওঁলোকৰ মনোনীত ব্যক্তি সকল বা যথাস্থিতি বৈধ উত্তৰাধিকাৰীৰ পৰা আবেদন গ্ৰহণ কৰিব, এনে তদন্ত পৰিচালনা কৰিব যিদৰে ই আৱশ্যক গণ্য কৰে আৰু তাৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা পাঁচ মাহৰ ভিতৰত আবেদনসমূহ নিষ্পত্তি কৰিব ।

(ঘ) ন্যাসী সমিতিৰ কাৰ্য্যবিৱৰণী বহীত, আবেদনসমূহৰ ওপৰত ইয়াৰ সিদ্ধান্তসমূহ অভিলেখিত কৰিব ;

(ঙ) অনুসূচী ১ত বিনিৰ্দ্দিষ্ট কৰা হাৰত ৰাশিসমূহ, নিধিৰ সদস্যসমূহ বা তেওঁলোকৰ মনোনীত ব্যক্তিসমূহ বা যথাস্থিতি বৈধ উত্তৰাধিকাৰীক ধনৰাশি আদায় দিব ;

(চ) সমুচিত চৰকাৰ আৰু ৰাজ্যিক উকীল পৰিষদলৈ এনে সাময়িক আৰু বাৰ্ষিক প্ৰতিবেদনসমূহ পঠিয়াব যিদৰে বিহিত কৰা হয় ;

(ছ) নিধি বা নিধিৰ হিতত দাবীসমূহ সদস্যৰূপে নাম ভৰ্ত্তি বা পুনৰ নাম ভৰ্ত্তিৰ বাবে আবেদনসমূহৰ ক্ষেত্ৰত ন্যাসী সমিতিৰ সিদ্ধান্তসমূহ আবেদনকাৰীলৈ অভিস্বীকৃতি পত্ৰসহ পঞ্জীভুক্ত ডাকসেৱাৰ দ্বাৰা বা ইলেকট্ৰ'নিক মাধ্যমত অৱগত কৰিব ।

(জ) এনে অন্য কাৰ্য্যবোৰ কৰে যিবোৰ এই অধিনিয়মৰ আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত হয় বা কৰা হোৱা বুলি অপেক্ষিত হব পাৰে ।

ধাৰ লোৱা আৰু বিনিয়োগ ।

১২। (১) ন্যাসী সমিতিয়ে, সমুচিত চৰকাৰ আৰু ৰাজ্যিক উকীল পৰিষদৰ পূৰ্ব্ব অনুমোদন সহ এই অধিনিয়মৰ উদ্দেশ্যসমূহ সম্পন্ন কৰাৰ বাবে অপেক্ষিত যিকোনো ধনৰাশি সময়ে সময়ে ধাৰ লব পাৰিব ।

(২) ন্যাসী সমিতিয়ে নিধিৰ অংশ গঠন কৰি সকলো ধন আৰু ৰচিদসমূহ যিকোনো অনুসূচিত বেংকত জমা দিব বা সমুচিত চৰকাৰৰ দ্বাৰা স্বামীত্বাধীন বা নিয়ন্ত্ৰিত যিকোনো নিগমৰ ঋণ লেখ্যত বা সমুচিত চৰকাৰৰ দ্বাৰা অস্থায়ী ঋণত বা অন্য যিকোনো ৰীতিত, বিনিয়োগ কৰিব যিদৰে ৰাজ্যিক উকীল পৰিষদে, সময়ে সময়ে, সমুচিত চৰকাৰৰ পূৰ্ব অনুমোদনসহ নিৰ্দ্দেশ কৰিব পাৰে ।

(৩) এই অধিনিয়মৰ অধীনত শোধ্য আৰু দেয় সকলো ধনৰাশি আৰু নিধিৰ পৰিচালনা আৰু প্ৰশাসনিক সম্বন্ধত সকলো ব্যয় নিধিৰ পৰা আদায় দিয়া হব ।

হিচাপ আৰু হিচাপ পৰীক্ষা ।

১৩। (১) ন্যাসী সমিতিয়ে বিহিত কৰা দৰে এনে প্ৰ-পত্ৰ আৰু এনে ৰীতিত সঠিক হিচাপ আৰু অন্য প্ৰাসঙ্গিক নথিসমূহ সংৰক্ষন কৰিব আৰু হিচাপৰ এটা বাৰ্ষিক বিবৃতি আৰু বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব ।

(২) ন্যাসী সমিতিৰ হিচাপসমূহ ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা নিযুক্ত এজন চনদী গাণনিক্যৰ দ্বাৰা বাৰ্ষিকভাৱে হিচাপ পৰীক্ষা কৰা হ'ব।

(৩) চনদী গাণনিক্যৰ দ্বাৰা হিচাপ পৰীক্ষা কৰাৰ দৰে ন্যাসী সমিতিৰ হিচাপসমূহ তেওঁৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনসহ একেলগে সেই সমিতিৰ দ্বাৰা ৰাজ্যিক উকীল পৰিষদলৈ প্ৰেৰণ কৰা হব আৰু ৰাজ্যিক উকীল পৰিষদে এনে নিৰ্দ্দেশসমূহ সেই সম্বন্ধত ন্যাসী সমিতিলৈ জাৰী কৰিব পাৰে, যিদৰে ই উচিত গণ্য কৰে ;

(৪) উপধাৰা ৩ৰ অধীনত ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা জাৰী কৰা নিৰ্দ্দেশসমূহ ন্যাসী সমিতিয়ে পালন কৰিব ।

(৫) ন্যাসী সমিতিয়ে নিধিৰ পৰা হিচাপ পৰীক্ষাৰ বাবে প্ৰভাৰবোৰ আদায় দিব যিদৰে ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয় ।

সচিবৰ ক্ষমতা আৰু কৰ্ত্তব্য সমূহ।

১৪। ন্যাসী সমিতিৰ সচিবজন-

(ক) ন্যাসী সমিতিৰ মুখ্য কাৰ্য্যবাহী প্ৰাধিকাৰী হব আৰু ইয়াৰ সিদ্ধান্তসমূহৰ সম্পাদনৰ বাবে দায়ী হব ;

(খ) ন্যাসী সমিতিৰ হ'কে বা বিৰুদ্ধে সকলো বাদ আৰু কাৰ্য্যবাহীত, ন্যাসী সমিতিক প্ৰতিনিধিত্ব কৰিব ;

(গ) ন্যাসী সমিতিৰ সকলো সিদ্ধান্ত আৰু চুক্তিপত্ৰ তেওঁৰ স্বাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণ কৰিব ;

(ঘ) অধ্যক্ষৰ সৈতে যুটীয়াভাবে ন্যাসী সমিতিৰ বেংকৰ হিচাপ প্ৰৱৰ্ত্তন কৰিব ;

(ঙ) ন্যাসী সমিতিৰ সভাসমূহ আহ্বান কৰিব আৰু এনে সভাসমূহৰ বিৱৰণী প্ৰস্তুত কৰিব ;

(চ) সকলো আৱশ্যকীয় নথি আৰু তথ্যসহ ন্যাসী সমিতিৰ সভাসমূহত উপস্থিত থাকিব ;

(ছ) এনে প্ৰ-পত্ৰ, পঞ্জীয়ন বহী আৰু অন্য অভিলেখ সংৰক্ষণ কৰিব যিদৰে সময়ে সময়ে বিহিত কৰা হয় আৰু ন্যাসী সমিতিৰ সম্বন্ধত সকলো আদান প্ৰদান কৰিব ;

(জ) এটা বিত্তীয় বৰ্ষৰ ভিতৰত ন্যাসী সমিতিৰ দ্বাৰা লেনদেন কৰা ব্যৱসায়ৰ এটা বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰিব ;

(ঝ) এনে অন্য কাৰ্য্যসমূহ সম্পাদন কৰিব যিবোৰ ন্যাসী সমিতিৰ আৰু ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা নিৰ্দ্দেশিত কৰা হয় বা কৰিব পাৰে ।

ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা নিধিলৈ কেতবোৰ ধনৰাশিৰ আদায়। ১৯৬১ৰ ২৫

১৫ । অধিবক্তা অধিনিয়ম, ১৯৬১ৰ ধাৰা ২৪ৰ খণ্ড(চ)ৰ অধীনত ই প্ৰাপ্ত কৰা ভৰ্ত্তিকৰণ মাচুলৰ বিশ শতাংশৰ সমান এটা ৰাশি ৰাজ্যিক উকীল পৰিষদে বাৰ্ষিকভাৱে নিধিলৈ আদায় দিব ।

## অধ্যায়-IV
## অধিবক্তাসমূহৰ যিকোনো সন্থাৰ স্বীকৃতি

অধিবক্তাৰ কোনো সন্থাৰ এখন ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা স্বীকৃতি।

১৬। (১) যিকোনো উকীল সন্থা যি নামেৰেই হওঁক যিটো এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পূৰ্বে এটা সন্থা হিচাপে পঞ্জীভুক্ত কৰা হয়,এখন ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা এই মৰ্ম্মে অধিসূচিত হবলগীয়া তাৰিখৰ পূৰ্বে ৰাজ্যিক উকীল পৰিষদলৈ স্বীকৃতিৰ বাবে এনে প্ৰ-পত্ৰত বিহিত কৰা দৰে আবেদন কৰিব পাৰে ।

(২) যিকোনো নামেৰে জ্ঞাত অধিবক্তাৰ যিকোনো সন্থা যিটো এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখত বা পাছত এটা সন্থা হিচাপে পঞ্জীভুক্ত হয়, এটা সন্থা হিচাপে ইয়াৰ পঞ্জীয়নৰ তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত, স্বীকৃতিৰ বাবে ৰাজ্যিক উকীল পৰিষদলৈ এনে প্ৰ-পত্ৰ বিহিত কৰা দৰে আবেদন কৰিব পাৰে ।

(৩) উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত স্বীকৃতিৰ বাবে প্ৰত্যেক আবেদন নিম্নলিখিতসমূহৰ লগত দিয়া হ'ব-

(ক) সন্থাৰ নিয়মাৱলী বা উপবিধিৰ এটা প্ৰতিলিপি ;

(খ) সন্থাৰ পদাধিকাৰীৰ নাম আৰু ঠিকনা ;

(গ) নাম, ঠিকনা, বয়স, ৰাজ্যিক উকীল পৰিষদত ভৰ্ত্তিকৰণৰ নম্বৰ আৰু ভৰ্ত্তিকৰণৰ তাৰিখ আৰু প্ৰত্যেক সদস্যৰ বিধি ব্যৱসায়ৰ সাধাৰণ স্থান আদি উল্লেখ কৰি সন্থাৰ সদস্যসকলৰ এখন তালিকা ।

(৪) ৰাজ্যিক উকীল পৰিষদে,এনে তদন্তৰ পাছত যিদৰে আৱশ্যক গণ্য কৰে, সন্থাক স্বীকৃতি দিব পাৰে আৰু এনে প্ৰ-পত্ৰত স্বীকৃতিৰ এখন প্ৰমান পত্ৰ বিহিত কৰাৰ দৰে এনে ৰীতিত জাৰী কৰিব ।

(৫) উপধাৰা (৪)ৰ অধীনত এটা সন্থাৰ স্বীকৃতিৰ সম্পৰ্কে যিকোনো বিষয়ৰ ওপৰত ৰাজ্যিক উকীল পৰিষদৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।

**স্পষ্টীকৰণ**-এই ধাৰাত ''পঞ্জীভুক্ত'' মানে সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ৰ বা সম্প্ৰতি বলবৎ অন্য যিকোনো বিধিৰ অধীনত পঞ্জীভুক্ত বা পঞ্জীভুক্ত হোৱা বুলি গণ্য হব ।

ৰাজ্যিক উকীল সন্থা আৰু ৰাজ্যিক অধিবক্তা সন্থাৰ কৰ্ত্তব্য সমূহ ।

১৭ । (১) প্ৰত্যেক ৰাজ্যিক উকীল সন্থা আৰু ৰাজ্যিক অধিবক্তা সন্থাই প্ৰত্যেক বৰ্ষৰ ১৫ এপ্ৰিলৰ বা তাৰ আগত সেই বৰ্ষৰ ৩১ মাৰ্চত থকা হিচাবে ইয়াৰ সদস্যসকলৰ এখন তালিকা ৰাজ্যিক উকীল পৰিষদলৈ যোগান ধৰিব ।

(২) প্ৰত্যেক ৰাজ্যিক উকীল সন্থা আৰু ৰাজ্যিক অধিবক্তা সন্থাই নিম্নলিখিতসমূহ ৰাজ্যিক অধিবক্তা পৰিষদক জনাব-

(ক) এনে পৰিৱৰ্ত্তনৰ ত্ৰিশ দিনৰ ভিতৰত নাম ভৰ্ত্তিকৰণ আৰু পুনঃ নামভৰ্ত্তি অন্তৰ্ভুক্ত কৰি সদস্যতাৰ কোনো পৰিৱৰ্ত্তন ;

(খ) ইয়াৰ সংঘটনৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত ইয়াৰ সদস্যসকলৰ কোনো মৃত্যু বা অন্য ব্যৱসায়ৰ সমাপ্তি বা ব্যৱসায়ৰ ইচ্ছাকৃত নিলম্বন ;

(গ) অন্য এনে বিষয়সমূহৰ যিদৰে সময়ে সময়ে ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা অপেক্ষিত কৰা হয় ।

## অধ্যায়-V
## অধিবক্তা কল্যাণ নিধিৰ সদস্যতা আৰু ইয়াৰ পৰা আদায়

নিধিত সদস্যতা ।

১৮ । (১) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে বিধি ব্যৱসায় কৰা প্ৰত্যেক অধিবক্তাই, এখন ৰাজ্যত যিকোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰ আৰু এখন ৰাজ্যিক উকীল সন্থা বা সেই ৰাজ্যৰ এখন ৰাজ্যিক অধিবক্তা সন্থাৰ এজন সদস্য হোৱাত এই অধিনিয়মৰ প্ৰাৰম্ভণৰ ছয় মাহৰ ভিতৰত ন্যাসী সমিতিলৈ বিহিত কৰা ৰীতিত নিধিৰ এজন সদস্য হিচাপে নাম ভৰ্ত্তিকৰণৰ বাবে আবেদন কৰিব ।

(২) প্ৰত্যেক ব্যক্তি-

(ক) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পাছত এখন ৰাজ্যিক উকীল পৰিষদৰ সদস্য তালিকাত অধিবক্তা হিচাপে স্বীকৃত ;

(খ) এখন ৰাজ্যত আৰু সেই ৰাজ্যত ৰাজ্যিক উকীল সন্থাৰ বা ৰাজ্যিক অধিবক্তা সন্থাৰ সদস্য হোৱাত যিকোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰত ব্যৱসায় কৰে ;

তেওঁ এজন অধিবক্তা হিচাবে তেওঁৰ ভৰ্ত্তিকৰণৰ ছয় মাহৰ ভিতৰত ন্যাসী সমিতিলৈ নিধিৰ এজন সদস্য হিচাবে ভৰ্ত্তিকৰণৰ বাবে বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত আবেদন কৰিব ।

**অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ২০০১**

(৩) উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত এখন আবেদনৰ প্ৰাপ্তিত, ন্যাসী সমিতিয়ে এনে তদন্ত কৰিব যেনেদৰে ই উচিত গণ্য কৰে, আৰু আবেদনকাৰীক হয় নিধিত নাম ভৰ্ত্তি কৰিব বা , লিখিতভাৱে অভি লেখিত কৰিবলগীয়া কাৰণৰ বাবে, আবেদন অগ্ৰাহ্য কৰিব ঃ

পৰন্তু এখন আবেদনৰ অগ্ৰাহ্যকৰণৰ আদেশ পাৰিত কৰা নহব যদি আবেদনকাৰীক শুনানীৰ এটা সুযোগ দিয়া নহয় ।

(৪) প্ৰত্যেক আবেদনকাৰীয়ে আবেদনসহ দুশ টকাৰ এটা আবেদন মাচুল ন্যাসী সমিতিৰ হিচাপলৈ আদায় দিব ।

(৫) প্ৰত্যেক অধিবক্তাই নিধিৰ এজন সদস্য হোৱাত প্ৰত্যেক বৰ্ষৰ ৩১ মাৰ্চত বা তাৰ আগত নিধিলৈ পঞ্চাশ টকাৰ এটা বাৰ্ষিক বৰঙণি আদায় দিব ঃ

পৰন্তু প্ৰত্যেক অধিবক্তাই যিয়ে উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত এখন আবেদন কৰে তেওঁ নিধিৰ এজন সদস্য হোৱাৰ তিনিমাহৰ ভিতৰত তেওঁৰ প্ৰথম বৰঙণি আদায় দিব ঃ

উপৰন্তু এজন জ্যেষ্ঠ অধিবক্তাই এহেজাৰ টকাৰ এটা বাৰ্ষিক বৰঙণি আদায় দিব ।

(৬) নিধিৰ যিকোনো সদস্যই, যিজনে সেই বৰ্ষৰ ৩১ মাৰ্চৰ পূৰ্বে যিকোনো বছৰৰ বাবে বাৰ্ষিক বৰঙণি আদায় দিবলৈ অসফল হয় সেই নিধিত সদস্য পদৰ পৰা অপসাৰিত হবলৈ দায়ী হব ।

(৭) উপধাৰা (৬)ৰ অধীনত নিধিত সদস্য পদৰ পৰা অপসাৰিত নিধিৰ এজন সদস্যক দহ টকাৰ পুনৰ নাম ভৰ্ত্তিৰ মাচুলসহ বকেয়া আদায় দিয়াৰ পাছত এনে অপসাৰণৰ তাৰিখৰ পৰা ছয়মাহৰ ভিতৰত নিধিলৈ পুনৰ ভৰ্ত্তি কৰিব পৰা যায় ;

(৮) নিধিৰ প্ৰত্যেক সদস্যই নিধিত সদস্যপদত তাৰ নামভৰ্ত্তিৰ সময়ত, এই অধিনিয়মৰ অধীনত তেওঁৰ মৃত্যুৰ ক্ষেত্ৰত সদস্যজনলৈ আদায় দিবলগীয়া যিকোনো ধনৰাশি গ্ৰহণ কৰাৰ অধিকাৰ থকা তেওঁৰ এক বা ততোধিক নিৰ্ভৰশীল ব্যক্তিক মনোনয়ন দিব ।

(৯) যদি উপধাৰা (৮)ৰ অধীনত নিধিৰ এজন সদস্যই এজনৰ অধিক ব্যক্তিক মনোনীত কৰে তেওঁ মনোনীত সদস্যসকলৰ প্ৰত্যেকজনলৈ আদায় দিবলগীয়া ৰাশি বা অংশ মনোনয়নত বিনিৰ্দ্দিষ্ট কৰিব ।

(১০) নিধিৰ এজন সদস্যই যিকোনো সময়ত ন্যাসী সমিতিলৈ লিখিত এখন জাননী পঠিয়াই এটা মনোনয়ন বাতিল কৰিব পাৰে ।

(১১) নিধিৰ প্ৰত্যেক সদস্যই, যিজনে উপধাৰা (১০)ৰ অধীনত তেওঁৰ মনোনয়ন বাতিল কৰে পাঁচ টকা পঞ্জীয়ন মাচুলসহ এটা নতুন মনোনয়ন কৰিব ।

১৯৬১ৰ ২৫

(১২) নিধিৰ প্ৰত্যেক সদস্যক, যাৰ নাম অধিবক্তা অধিনিয়ম, ১৯৬১ৰ ধাৰা ২৬ক ৰ অধীনত ৰাজ্যিক নাম ভৰ্ত্তিকৰণৰ তালিকাৰ পৰা অপসাৰিত কৰা হৈছে, বা যিজনে স্বেচ্ছামূলকভাৱে বিধি ব্যৱসায় স্থগন কৰিছে, এনে অপসাৰণ বা স্থগনৰ পোন্ধৰ দিনৰ ভিতৰত ন্যাসী সমিতিলৈ এনে অপসাৰণ বা স্থগনৰ অৱগত কৰিব আৰু যদি নিধিৰ যিকোনো সদস্যই পৰ্য্যাপ্ত কাৰণ বিনা এনে কৰিবলৈ অসফল হয়, ন্যাসী সমিতিয়ে বিহিত কৰা দৰে এনে নীতি অনুসাৰে এই অধিনিয়মৰ অধীনত সেই সদস্যলৈ আদায় দিবলগীয়া ধনৰাশি হ্ৰাস কৰিব পাৰে ।

নিধিৰ এজন সদস্যলৈ এককালীন অনুদান ।

১৯। ন্যাসী সমিতিয়ে নিধিৰ এজন সদস্যৰ দ্বাৰা ইয়ালৈ কৰা এখন আবেদনৰ ওপৰত, আৰু দাবীত সত্যতাৰ বিষয়ে সন্তুষ্ট হোৱাৰ পাছত, নিধিৰ পৰা নিম্নলিখিত বিষয়ত এনে সদস্যলৈ এককালীন অনুদান মঞ্জুৰ কৰিব পাৰে -

(ক) তেওঁৰ চিকিৎসালয়ত ভৰ্ত্তিকৰণৰ বা গুৰুতৰ শল্য অস্ত্ৰোপ্ৰচাৰ হোৱাৰ ক্ষেত্ৰত ; বা

(খ) যদি তেওঁ যক্ষ্মা, কুষ্ঠৰোগ, পক্ষাঘাত, কেন্সাৰ, মনৰ অসুস্থতা বা এনে অন্য জটিল ৰোগ বা অক্ষমতাত ভুগি আছে ।

পুনৰীক্ষন ।

২০। ন্যাসী সমিতিয়ে, ইয়াৰ স্বপ্ৰেৰণাত বা স্বাৰ্থ থকা যিকোনো ব্যক্তিৰ পৰা প্ৰাপ্ত এখন আবেদনৰ ওপৰত এই অধিনিয়মৰ উপবন্ধসমূহৰ অধীনত ইয়াৰ দ্বাৰা পাৰিত কৰা আদেশৰ তাৰিখৰ পৰা নবৈব দিনৰ ভিতৰত এনে আদেশ যদি এইটো ভুলক্ৰমে পাৰিত কৰা হৈছিল, তথ্যৰ হওঁক বা বিধিৰ হওঁক বা অন্য বস্তুবিদ তথ্য অজ্ঞানতাৰ বাবেই হওঁক এনে আদেশ পুনৰীক্ষণ কৰিব পাৰে ঃ

পৰন্তু ন্যাসী সমিতিয়ে এই ধাৰাৰ অধীনত যিকোনো ব্যক্তিক প্ৰতিকূলভাৱে প্ৰভাৱিত কৰা আদেশ পাৰিত নকৰিব যদি এনে ব্যক্তিক শুনানীৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া হোৱা নাই ।

বিধি ব্যৱসায়ৰ সমাপ্তিত ধনৰাশিৰ আদায় ।

২১। (১) প্ৰত্যেক অধিবক্তাই যিজনে অতিকমেওঁ পাঁচ বছৰৰ কম হোৱা এটা অৱধিৰ বাবে নিধিৰ এজন সদস্য হৈ আছে, তেওঁৰ ব্যৱসায়ৰ স্থগনত, অনুসূচী ১ত বিনিৰ্দ্দিষ্ট হাৰত ৰাশি আদায় দিয়া হব ঃ

পৰন্তু য'ত ন্যাসী সমিতিয়ে সন্তুষ্ট হয় যে নিধিৰ এজন সদস্যই যিকোনো স্থায়ী অক্ষমতাৰ ফলত এনে নিধিৰ এজন সদস্য হিচাবে তেওঁৰ নাম ভৰ্ত্তিকৰণৰ তাৰিখৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ ভিতৰত বিধি ব্যৱসায় সমাপ্তি হব, ন্যাসী সমিতিয়ে অনুসূচী ১ত বিনিৰ্দ্দিষ্ট কৰা হাৰত এনে সদস্যক এটা ধনৰাশি আদায় দিব পাৰে ;

(২) য'ত নিধিৰ এজন সদস্যৰ উপধাৰা (১)ৰ অধীনত আদায় দিবলগীয়া ধনৰাশি প্ৰাপ্তিৰ পূৰ্বেই মৃত্যু হয় তেওঁৰ মনোনীত ব্যক্তি বা যথাস্থিতি বৈধ উত্তৰাধিকাৰীক, নিধিৰ মৃত সদস্যলৈ আদায় দিবলগীয়া ধনৰাশি আদায় দিয়া হ'ব ।

নিধিত সদস্যৰ স্বাৰ্থৰ হস্তান্তৰকৰণ, ক্ৰোককৰণ ইত্যাদিৰ ওপৰত নিৰ্বন্ধন ।

২২। (১) নিধিত যিকোনো সদস্যৰ স্বাৰ্থ, বা নিধিৰ এজন সদস্যৰ অধিকাৰ বা তেওঁৰ মনোনীত ব্যক্তি বা বৈধ উত্তৰাধিকাৰীৰ নিধিৰ পৰা যিকোনো ধনৰাশি প্ৰাপ্ত কৰিবলৈ ন্যস্ত কৰা, হস্তান্তৰ কৰা, বা প্ৰভাৱিত কৰা নহব আৰু যিকোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰীৰ যিকোনো ডিক্ৰী বা আদেশৰ অধীনত ক্ৰোককৰণলৈ দায়ী নহব ।

(২) কোনো ঋণদাতাই নিধিৰ বা নিধিৰ সদস্যৰ বা তেওঁৰ মনোনীত ব্যক্তি বা বৈধ উত্তৰাধিকাৰীৰ তাত স্বাৰ্থৰ বিৰুদ্ধে কাৰ্য্যবাহৰ অগ্ৰসৰ হবলৈ হকদাৰ নহব ।

**স্পষ্টীকৰণ**-এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''ঋণদাতা'' ই এখন ৰাজ্য বা সম্প্ৰতি বলবৎ থকা দেউলীয়া সম্পৰ্কিত বিধিৰ অধীনত নিয়োজিত চৰকাৰী স্বত্ব নিয়োগী বা চৰকাৰী প্ৰাপকক অৰ্ন্তভুক্ত কৰে ।

১৯৬১ ৰ ২৫ আয়কৰৰ পৰা ৰেহাই ।

২৩। আয়কৰ অধিনিয়ম, ১৯৬১ত বা আয়কৰ লাভ বা মুনাফাৰ সম্বন্ধত সম্প্ৰতি বলবৎ অন্য যিকোনো অধিনিয়মিতিত কোনো কথা থকা স্বত্বেও ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত গঠিত নিধিলৈ বৰ্দ্ধিত হোৱা আয় আয়কৰৰ পৰা ৰেহাই দিয়া হব ।

নিধিৰ সদস্যসকলৰ বাবে সমূহীয়া জীৱন বীমা আৰু অন্য হিত ।

২৪। ন্যাসী সমিতিয়ে, নিধিৰ সদস্যসকলৰ কল্যাণৰ বাবে -

(ক) ভাৰতীয় জীৱন বীমা নিগম বা অন্য কোনো বীমাকাৰীৰ পৰা নিধিৰ সদস্যসকলৰ জীৱনৰ ওপৰত সমূহীয়া বীমা পলিচিসমূহ লাভ কৰিব ; বা

(খ) নিধিৰ সদস্যসকলৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিসকলৰ চিকিৎসা আৰু শিক্ষা সম্পৰ্কীয় সুবিধাসমূহৰ বাবে এনে ৰীতিত উপৱন্ধিত কৰিব পাৰে

যিদৰে বিহিত কৰা হয় ; বা

(গ) কিতাপসমূহক ক্ৰয়ৰ বাবে নিধিৰ সদস্যসকললৈ অৰ্থৰ উপবন্ধ কৰিব ; বা

(ঘ) নিধিৰ সদস্যসকলৰ বাবে সমূহীয়া সুবিধাসমূহ গঠন বা সংৰক্ষণ কৰিববলৈ অৰ্থৰ উপবন্ধ কৰিব ঃ

১৯৬১ৰ ২৫ পৰন্তু ন্যাসী সমিতিয়ে অধীনস্থ ন্যায়ালয়সমূহত ব্যৱসায় কৰা নিধিৰ সদস্যসকলৰ বাবে সমূহীয়া সুবিধাসমূহৰ নিৰ্মাণ বা সংৰক্ষণৰ ওপৰত ধাৰা ১৮ৰ উপধাৰা (৫)ৰ অধীনত গ্ৰহণ কৰা মুঠ বাৰ্ষিক বৰঙণিৰ দহ শতাংশ খৰচ কৰিব ; বা

(ঙ) অন্য যিকোনো উদ্দেশ্যৰ বাবে নিধি উপবন্ধিত কৰিব যিটো ন্যাসী সমিতিয়ে বিনিৰ্দ্দিষ্ট কৰিব পাৰে ; বা

(চ) এনে অন্য সুবিধাসমূহ উপবন্ধিত কৰিব পাৰে যিদৰে বিহিত কৰা হয় ।

ন্যাসী সমিতিৰ বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে আপীল ।

২৫। (১) ন্যাসী সমিতিৰ যিকোনো বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে ৰাজ্যিক উকীল পৰিষদলৈ এটা আপীল চলিব ।

(২) আপীল এটা বিহিত প্ৰপত্ৰত হব আৰু নিম্নলিখিতসমূহৰ দ্বাৰা দিয়া হ'ব-

(ক) বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে কৰা আপীলৰ এটা প্ৰতিলিপি ;

(খ) এটা অনুসূচিত বেংকৰ যিকোনো শাখাত ৰাজ্যিক উকীল পৰিষদৰ জমালৈ পঁচিশ টকাৰ আদায়ৰ সাক্ষ্যৰ এখন ৰচিদ ।

(৩) বিনিশ্চয় বা আদেশৰ বিৰুদ্ধে কৰা আপীল গ্ৰহণৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত আপীল দাখিল কৰা হ'ব ।

(৪) ৰাজ্যিক উকীল পৰিষদৰ এনে আপীলৰ ওপৰত বিনিশ্চয়েই চূড়ান্ত হ'ব ।

## অধ্যায়-VI

## ষ্টাম্পৰ ছপাকৰণ, বিতৰণ আৰু বাতিলকৰণ

ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা অধিবক্তা কল্যাণ নিধিৰ ষ্টাম্প ছপাকৰণ আৰু বিতৰণ কৰা হব ।

২৬। (১) সমুচিত চৰকাৰে, ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা এই মৰ্ম্মে কৰা এটা অনুৰোধৰ ওপৰত, অধিবক্তা কল্যাণ নিধিৰ পাঁচ টকা মূল্যৰ বা এনে অন্য মূল্যৰ যিটো বিহিত কৰা হয়, তাত "অধিবক্তাসকলৰ কল্যাণ নিধি ষ্টাম্প" খোদিত কৰি এনে নক্সাত যিদৰে বিহিত কৰা হয় ষ্টাম্পসমূহ ছপা আৰু বিতৰণ কৰিব ।

(২) উপধাৰা (১)ৰ অধীনত নিৰ্দ্দেশিত প্ৰত্যেক ষ্টাম্প ২.৫৪ ছেঃ মিঃ দীঘল ৫.০৮ ছেঃ মিঃ বহল আকাৰৰ হব আৰু অধিবক্তাসকললৈ বিক্ৰী কৰা হ'ব ।

(৩) ষ্টাম্পসমূহ ৰাজ্যিক উকীল পৰিষদৰ অভিৰক্ষাত থাকিব ।

(৪) ৰাজ্যিক উকীল পৰিষদে ৰাজ্যিক উকীল সন্থা আৰু ৰাজ্যিক অধিবক্তা সন্থাৰ দ্বাৰা ষ্টাম্পসমূহৰ বিতৰণ আৰু বিক্ৰীৰ নিয়ন্ত্ৰণ কৰিব ।

(৫) ৰাজ্যিক উকীল পৰিষদ, ৰাজ্যিক উকীল সন্থা আৰু ৰাজ্যিক অধিবক্তা সন্থাসমূহে ষ্টাম্পসমূহৰ এনে প্ৰ-পত্ৰ আৰু ৰীতিত সমুচিত হিচাপ ৰাখিব যিদৰে বিহিত কৰা হয় ।

(৬) ৰাজ্যিক উকীল সন্থা আৰু ৰাজ্যিক অধিবক্তা সন্থাই ৰাজ্যিক উকীল পৰিষদৰ পৰা তাৰ মূল্য আদায় দি এনে মূল্যৰ আনুষঙ্গিক ব্যয়ৰ বাবে দহ শতাংশ হ্ৰাস কৰি ষ্টাম্প ক্ৰয় কৰিব ।

ওকালতনামাত ষ্টাম্পসমূহ থাকিব ।

২৭। (১) প্ৰত্যেক অধিবক্তাই নিম্নলিখিত মূল্যৰ ষ্টাম্প লগাব-

(ক) জিলা ন্যায়ালয় বা জিলা ন্যায়ালয়ৰ অধীনস্থ এখন ন্যায়ালয়ত তেওঁৰ দ্বাৰা

দাখিল কৰা প্ৰত্যেক ওকালত নামাত পাঁচ টকাৰ ;

(খ) এখন ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰ বা এখন উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ত তেওঁৰ দ্বাৰা দাখিল কৰা প্ৰত্যেক ওকালত নামাত দহ টকাৰ ঃ

পৰন্তু সমুচিত চৰকাৰে এই উপধাৰাৰ অধীনত সংযোজিত কৰিব লগীয়া পঁচিশ টকাৰ অনধিক মূল্যৰ ষ্টাম্পসমূহ বিহিত কৰিব পাৰে ঃ

উপৰন্তু সমুচিত চৰকাৰে এখন জিলা ন্যায়ালয়, বা জিলা ন্যায়ালয়ৰ অধীনস্থ এখন ন্যায়ালয় বা এখন ন্যায়াধিকৰণ বা অন্যপ্ৰাধিকাৰ বা এখন উচ্চ বা উচ্চতম ন্যায়ালয়ত দাখিল কৰিবলগীয়া প্ৰত্যেক ওকালত নামাৰ ওপৰত সংযোজিত কৰিবলগীয়া ষ্টাম্পসমূহৰ বিভিন্ন মূল্য বিহিত কৰিব পাৰে।

(২) ষ্টাম্পৰ মূল্য যিকোনো গোচৰত কোনো খৰচ নহব নাইবা মোক্কেলৰ পৰা যিকোনো ক্ষেত্ৰত সংগ্ৰহ কৰা নহব।

(৩) অধিবক্তাৰ দ্বাৰা উপধাৰা (১) বা উপধাৰা (২) ৰ উপবন্ধবোৰৰ কোনোটোৰ উলংঘনে নিধিৰ হিতক সম্পূৰ্ণকৈই হওঁক বা আংশিকভাৱেই হওঁক তেওঁক অনুপযুক্ত কৰিব আৰু ন্যাসী সমিতিয়ে এনে উলঙ্ঘনত সমুচিত কাৰ্য্যব্যৱস্থাৰ বাবে ৰাজ্যিক উকীল পৰিষদলৈ প্ৰতিবেদন দাখিল কৰিব।

(৪) এখন জিলা ন্যায়ালয় বা এখন জিলা ন্যায়ালয়ৰ অধীনস্থ এখন ন্যায়ালয় বা এখন ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰ বা উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ৰ সন্মুখত দাখিল কৰা প্ৰত্যেক ওকালত নামাত সংযোজিত কৰা প্ৰত্যেক ষ্টাম্প বিহিত কৰা দৰে এনে ৰীতিত বাতিল কৰা হব যিদৰে বিহিত কৰা হয়।

## অধ্যায়-VII

## বিবিধ

কেতবোৰ ব্যক্তি হিতসমূহৰ বাবে যোগ্য।

২৮। কোনো জ্যেষ্ঠ অধিবক্তা, বা কেন্দ্ৰীয় চৰকাৰ বা এখন ৰাজ্য চৰকাৰৰ পৰা পেঞ্চন প্ৰাপ্ত এজন ব্যক্তিয়ে ধাৰা ১৯ৰ অধীনত বা ধাৰা ২১ৰ অধীনত তেওঁৰ ব্যৱসায়ৰ সমাপ্তিত ধনৰাশিৰ আদায়ত বা ধাৰা ২৪ৰ খণ্ড(ক) বা খণ্ড(খ) বা খণ্ড(গ)ৰ অধীনত যিকোনো হিতত এক কালীন সাহাৰ্য্য মঞ্জুৰৰ বাবে হকদাৰ নহব।

সদ্ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ ৰক্ষণ।

২৯। সমুচিত চৰকাৰ বা ন্যাসী সমিতি বা অধ্যক্ষ বা এজন সদস্য বা ন্যাসী সমিতিৰ সচিব বা ৰাজ্যিক উকিল পৰিষদ বা যিকোনো ব্যক্তিৰ যিকোনোৰ বাবে যিটো এই অধিনিয়ম বা তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত কৰা হৈছে বা কৰা বুলি অভিপ্ৰেত হৈছে তেঁওলোকৰ বিৰুদ্ধে কোনো বাদ, অভিযোজন বা বিধিক কাৰ্য্যবাহী নচলিব।

চিভিল ন্যায়ালয়ৰ অধিকাৰিতাৰ বাধা।

৩০। কোনো চিভিল ন্যায়ালয়ৰ কোনো প্ৰশ্নৰ মিতমাত, বিনিশ্চয় বা চুক্তি কৰিবলৈ বা কোনো বিষয় নিৰ্দ্ধাৰণ কৰিবলৈ অধিকাৰিতা নাথাকিব যিটো এই অধিনিয়মৰ দ্বাৰা বা অধীনত ন্যাসী সমিতি বা ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা মিতমাত, বিনিশ্চয় বা চুক্তি কৰিবলৈ নিৰ্দ্ধাৰিত কৰিবলৈ অপেক্ষিত হয়।

সাক্ষীবোৰক চমন দিবলৈ আৰু সাক্ষ্য লবলৈ ক্ষমতা। ১৯০৮ৰ ৫

৩১। ন্যাসী সমিতি আৰু ৰাজ্যিক উকীল পৰিষদৰ এই অধিনিয়মৰ অধীনত কোনো তদন্তৰ প্ৰয়োজনাৰ্থে সেই একেই ক্ষমতা থাকিব যেনেদৰে চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত নিম্নলিখিত বিষয়বসমূহৰ ক্ষেত্ৰত এটা গোচৰৰ বিচাৰ কৰোতে চিভিল ন্যায়ালয়ত ন্যস্ত কৰা হয়, অৰ্থাৎ ঃ-

(ক) যিকোনো ব্যক্তিৰ উপস্থিতি বলবৎ কৰা বা তেওঁক শপথৰ ওপৰত পৰীক্ষা কৰা ;

(খ) দস্তাৱেজৰ উদ্ধাৰন আৰু পেচকৰণ অপেক্ষিত কৰা ;

(গ) শপথ পত্ৰৰ ওপৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) সাক্ষীসমূহৰ পৰীক্ষাৰ বাবে কমিচন জাৰী কৰা ;

(ঙ) আন যিকোনো বিষয় যিটো বিহিত কৰা হয়।

অনুসূচী I আৰু II সংশোধন কৰিবলৈ ক্ষমতা।

৩২। (১) সমুচিত চৰকাৰে, ন্যাসী সমিতিৰ অনুমোদনৰ ওপৰত, অধিসূচনাৰ দ্বাৰা আৰু নিধিত ৰাশিৰ সহজ লভ্যতাক সম্যক অৱধানত ৰাখি অনুসূচী I ত বিনির্দ্দিষ্ট হাৰত সংশোধন কৰিব পাৰে।

(২) কেন্দ্রীয় চৰকাৰে, যিদৰে আৰু যেতিয়া আৱশ্যক বিবেচনা কৰে, অধিসূচনাৰ দ্বাৰা অনুসূচী II সংশোধন কৰিব পাৰে।

নির্দ্দেশসমূহ জাৰী কৰিবলৈ সমুচিত চৰকাৰৰ ক্ষমতা।

৩৩। (১) এই অধিনিয়মৰ পূর্বগামী উপবন্ধাৱলীৰ ব্যাপকতাৰ ওপৰত প্রতিকূল প্রভাৱ নেপেলোৱাকৈ ন্যাসী সমিতিয়ে এই অধিনিয়মৰ অধীনত ক্ষমতাবোৰৰ কাৰ্য্যকৰীকৰণত বা ইয়াৰ কৃত্যসমূহৰ সম্পাদনত পলিচিৰ প্রশ্নৰ ওপৰত এনে নির্দ্দেশবোৰ বৃত্তিক আৰু প্রশাসনিক বিষয়বস্তুৰ সম্পৰ্কিতৰ ব্যতিৰেকে পলিচিৰ প্রশ্নৰ ওপৰত এনে নির্দেশবোৰ মানিবলৈ বাধ্য থাকিব যিদৰে সমুচিত চৰকাৰে সময়ে সময়ে ইয়ালৈ লিখিতভাৱে দিব পাৰেঃ

পৰন্তু ন্যাসী সমিতিক যিমানদূৰ প্রয়োগ সাধ্য হয়, এই উপধাৰাৰ অধীনত যিকোনো নির্দ্দেশ দিয়াৰ পূর্বে ইয়াৰ মতামত প্রকাশ কৰিবলৈ এটা সুযোগ দিয়া হব।

(২) সমুচিত চৰকাৰৰ বিনিশ্চয়, প্রশ্নটো এখন পলিচিৰ হওঁক বা নহওঁক, চূড়ান্ত হ'ব।

ন্যাসী সমিতিক অতিক্রমন কৰিবলৈ সমুচিত চৰকাৰৰ ক্ষমতা।

৩৪। (১) যদি যিকোনো সময়ত সমুচিত চৰকাৰৰ এইটো মত হয়-

(ক) যে, ন্যাসী সমিতিৰ নিয়ন্ত্রণৰ বাহিৰৰ পৰিস্থিতিৰ কাৰণে, ন্যাসী সমিতিৰ এই অধিনিয়মৰ উপবন্ধাৱলীৰ দ্বাৰা বা অধীনত ইয়াৰ ওপৰত ন্যস্ত কৰা কৃত্যসমূহ নির্বাহ কৰিবলৈ বা কৰ্ত্তব্যসমূহ সম্পাদন কৰিবলৈ অসমর্থ হয় ; বা

(খ) যে, ন্যাসী সমিতিয়ে এই অধিনিয়মৰ অধীনত সমুচিত চৰকাৰৰ দ্বাৰা দিয়া কোনো নির্দ্দেশ পালন কৰাত বা এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়াৰ ওপৰত ন্যস্ত কৰা কৃত্যসমূহৰ নির্বাহত বা কৰ্ত্তব্যসমূহৰ সম্পাদনত অপৰিবৰ্ত্তিতভাৱে কৰ্ত্তব্যত ক্রটী কৰিছে ; বা

(গ) যে বিদ্যমান পৰিস্থিতিসমূহত যিয়ে ৰাজহুৱা স্বাৰ্থত এনে কৰিবলৈ আৱশ্যক হয়,

সমুচিত চৰকাৰে, অধিসূচনাৰ দ্বাৰা আৰু তাত বিনির্দ্দিষ্ট কাৰণসমূহৰ বাবে ন্যাসী সমিতিক ছয় মাহৰ অনধিক এনে অৱধিৰ বাবে অতিক্রমণ কৰিব পাৰে যিদৰে অধিসূচনাত বিনির্দ্দিষ্ট কৰা হয়, অধিকাৰিতা থকা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামর্শ কৰি উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশক ন্যাসী সমিতিৰ নিয়ন্ত্রক বিষয়া হিচাবে নিযুক্তি দিব পাৰেঃ

পৰন্তু এনে অধিসূচনা জাৰী কৰা পূর্বে সমুচিত চৰকাৰে ন্যাসী সমিতিৰ প্রস্তাৱিত অতিক্রমণৰ বিৰুদ্ধে প্রতিবেদন দিবলৈ এটা যুক্তিযুক্ত সুযোগ দিব আৰু ন্যাসী সমিতিৰ প্রতিবেদনসমূহ যদি কিবা থাকে, বিবেচনা কৰিব।

(২) উপধাৰা (১)ৰ অধীনত ন্যাসী সমিতিক অতিক্রমণ কৰি এখন অধিসূচনাৰ প্রকাশৰ ওপৰত,-

(ক) ন্যাসী সমিতিৰ অধ্যক্ষ, সদস্যসমূহ আৰু সচিবে অতিক্রমণৰ তাৰিখৰ পৰা এনে দৰে তেওঁলোকৰ পদবোৰ ৰিক্ত কৰি দিব ;

(খ) সকলোবোৰ ক্ষমতা, কৃত্য আৰু কৰ্ত্তব্য যিবোৰ এই অধিনিয়মৰ উপবন্ধাৱলীৰ দ্বাৰা বা অধীনত ন্যাসী সমিতিৰ দ্বাৰা বা হকে কাৰ্য্যকৰী বা নির্বাহ কৰিব পাৰে, উপধাৰা (৩)ৰ অধীনত ন্যাসী সমিতি পুনৰ গঠন নকৰালৈকে, ন্যাসী সমিতিৰ নিয়ন্ত্রকৰ দ্বাৰা কাৰ্য্যকৰী আৰু নির্বাহ কৰা হব ; আৰু

(গ) ন্যাসী সমিতিৰ দ্বাৰা স্বামীত্বাধীন বা নিয়ন্ত্রিত সকলো সম্পত্তি আৰু নিধি উপধাৰা (৩)ৰ অধীনত ন্যাসী সমিতি পুনৰ গঠন নকৰা লৈকে সমুচিত চৰকাৰত ন্যস্ত কৰিব।

(৩) উপধাৰা (১)ৰ অধীনত জাৰী কৰা অধিসূচনাত বিনির্দ্দিষ্ট অতিক্রমণ অৱধিৰ অৱসানত বা তাৰ আগত, সমুচিত চৰকাৰে ইয়াৰ অধ্যক্ষ, সদস্য আৰু এনে সমিতিৰ

সচিবৰ এটা নতুন নিযুক্তিৰ দ্বাৰা ন্যাসী সমিতি পুনৰ গঠন কৰিব আৰু এনে ক্ষেত্রত এজন ব্যক্তি যিজনে উপধাৰা (২)ৰ খণ্ড (ক)ৰ অধীনত তেওঁৰ পদ ৰিক্ত কৰিছিল, পুনৰ নিযুক্তিৰ বাবে অনৰ্হ বুলি গণ্য কৰা নহব ;

(৪) সমুচিত চৰকাৰে উপধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাৰ এটা প্ৰতিলিপি কাৰিত কৰিব আৰু এই ধাৰাৰ অধীনত লোৱা যিকোনো কাৰ্য্যব্যৱস্থাৰ এটা সম্পূৰ্ণ প্ৰতিবেদন আৰু এনে কাৰ্যব্যৱস্থাত উদ্ভৱ হোৱা পৰিস্থিতিসমূহ সংসদৰ প্ৰত্যেক সদনৰ বা ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনত য'ত ই দুখন সদনেৰে গঠিত হয়, বা যথাস্থিতি য'ত এনে বিধান পৰিষদ এখন সদনেৰে গঠিত হয়, সেই সদনত অতি সোনকালে উত্থাপন কৰা হব ।

কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ।

৩৫ । (১) কেন্দ্ৰীয় চৰকাৰে,সমুচিত চৰকাৰ হোৱাত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী সম্পন্ন কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষত ঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মসমূহে নিম্নলিখিত বিষয়সমূহৰ সকলোবোৰ বা যিকোনো এটা উপৱন্ধিত কৰিব পাৰে, যেনে ঃ-

(ক) ধাৰা ১১ৰ খণ্ড (চ)ৰ অধীনত পঠিয়াব লগীয়া সাময়িক আৰু বাৰ্ষিক প্ৰতিবেদন ;

(খ) প্ৰ-পত্ৰ আৰু ৰীতি যিবোৰত ধাৰা ১৩ৰ উপধাৰা (১) ৰ অধীনত হিচাপৰ বাৰ্ষিক প্ৰৱিবৰণ আৰু বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা হব ;

(গ) ধাৰা ১৪ৰ খণ্ড (ছ)ৰ অধীনত প্ৰ-পত্ৰ, পঞ্জী, আৰু অন্য নথিসমূহ সংৰক্ষণ কৰা হ'ব ;

(ঘ) প্ৰ-পত্ৰ যিটোত অধিবক্তা সন্থাই ধাৰা ১৬ৰ উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত ৰাজ্যিক উকীল পৰিষদলৈ স্বীকৃতিৰ বাবে আবেদন কৰিব পাৰে ;

(ঙ) প্ৰ-পত্ৰ যিটোত ধাৰা ১৬ৰ উপধাৰা (৪)ৰ অধীনত ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা স্বীকৃতিৰ এখন প্ৰমাণ পত্ৰ জাৰি কৰা হ'ব ;

(চ) প্ৰ-পত্ৰ যিটোত এজন অধিবক্তাই ধাৰা ১৮ৰ উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত নিধিৰ এজন সদস্য হিচাবে নাম ভৰ্ত্তিৰ বাবে আবেদন কৰিব ;

(ছ) নীতি যাৰ অনুসৰণত নিধিৰ এজন সদস্যলৈ দেয় ধনৰাশি ধাৰা ১৮ৰ উপধাৰা (১২)ৰ অধীনত হ্ৰাস কৰা হয় ;

(জ) ধাৰা ২৪ৰ খণ্ড (খ)ৰ অধীনত নিধিৰ সদস্যসকলৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিসকলৰ বাবে চিকিৎসা আৰু শিক্ষামূলক সা-সুবিধাসমূহ উপৱন্ধকৰণৰ ৰীতি ;

(ঝ) ধাৰা ২৪ৰ খণ্ড (চ) ৰ অধীনত উপবন্ধিত কৰিব লগীয়া আন সুবিধা ;

(ঞ) ধাৰা ২৫ৰ উপধাৰা (২)ৰ অধীনত আপীলৰ প্ৰ-পত্ৰ ;

(ট) ধাৰা ২৬ৰ উপধাৰা (১)ৰ অধীনত ছপা আৰু বিতৰণ কৰিব লগীয়া ষ্টাম্পবোৰৰ মূল্য আৰু নক্সা ;

(ঠ) প্ৰ-পত্ৰ আৰু ৰীতি যিবোৰত ষ্টাম্পসমূহৰ হিচাপ ধাৰা ২৬ৰ উপধাৰা (৫)ৰ অধীনত ৰখা হ'ব ;

(ড) ধাৰা ২৭ৰ উপধাৰা (১)ৰ প্ৰথম পৰন্তুকৰ অধীনত বিহিত কৰা দৰে পাঁচিশ টকাৰ অনধিক মূল্যৰ ষ্টাম্পসমূহ ;

(ঢ) ধাৰা ২৭ৰ উপধাৰা (১)ৰ দ্বিতীয় পৰন্তুৰ অধীনত প্ৰত্যেক ওকালতনামাৰ ওপৰত সংযোজিত কৰিবলগীয়া ষ্টাম্পসমূহৰ মূল্য ;

(ণ) ধাৰা ২৭ৰ উপধাৰা (৪)ৰ অধীনত ষ্টাম্পসমূহৰ বাতিলকৰণৰ ৰীতি ;

(ত) অন্য যিকোনো বিষয় যিটো বিহিত কৰা হয় বা হ'ব পাৰে।

ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৩৬। (১) ৰাজ্য চৰকাৰে, সমুচিত চৰকাৰৰ হৈ অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপৱন্ধসমূহ সম্পন্ন কৰাৰ বাবে আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা নিয়মসমূহৰ যদি কিবা থাকে অসঙ্গত নোহোৱাকৈ নিয়মসমূহ প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলোবোৰ বা যিকোনো এটা উপবন্ধিত কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ১১ৰ খণ্ড (চ)ৰ অধীনত পঠিয়াব লগীয়া সাময়িক আৰু বাৰ্ষিক প্ৰতিবেদন ;

(খ) প্ৰ-পত্ৰ আৰু ৰীতি য'ত ধাৰা ১৩ৰ উপধাৰা (১)ৰ অধীনত হিচাপৰ বাৰ্ষিক প্ৰৱিবৰণ আৰু বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা হব ;

(গ) ধাৰা ১৪ৰ খণ্ড(ছ)ৰ অধীনত প্ৰ-পত্ৰসমূহ, পঞ্জী আৰু অন্য নথিসমূহ সংৰক্ষণ কৰা হ'ব ;

(ঘ) প্ৰ-পত্ৰ যিবোৰত অধিবক্তা সন্থাই ধাৰা ১৬ৰ উপধাৰা (১)ৰ বা উপধাৰা

(২)ৰ অধীনত ৰাজ্যিক উকীল পৰিষদলৈ স্বীকৃতিৰ বাবে আবেদন কৰিব পাৰে ;

(ঙ) প্ৰ-পত্ৰ যিটোত ধাৰা ১৬ৰ উপধাৰা (৪)ৰ অধীনত ৰাজ্যিক উকীল পৰিষদৰ দ্বাৰা স্বীকৃতিৰ এখন প্ৰমাণ পত্ৰ জাৰি কৰা হ'ব ;

(চ) প্ৰ-পত্ৰ য'ত এজন অধিবক্তাই ধাৰা ১৮ৰ উপধাৰা (১) বা উপধাৰা (২)ৰ অধীনত নিধিৰ এজন সদস্য হিচাবে নামভৰ্ত্তিৰ বাবে আবেদন কৰিব ;

(ছ) নীতি যাৰ অনুসৰণত নিধিৰ এজন সদস্যলৈ দেয় ধনৰাশি ধাৰা১৮ৰ উপধাৰা (১২)ৰ অধীনত হ্ৰাস কৰা হব ;

(জ) ধাৰা ২৪ৰ খণ্ড (খ)ৰ অধীনত নিধিৰ সদস্যসকলৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিসকলৰ চিকিৎসা আৰু শিক্ষা সম্বন্ধীয় সুবিধাসমূহৰ উপৱন্ধকৰণৰ ৰীতি ;

(ঝ) ধাৰা ২৪ৰ খণ্ড (চ)ৰ অধীনত অন্য সুবিধাসমূহ উপৱন্ধিত কৰিবলগীয়া আন সুবিধা ;

(ঞ) ধাৰা ২৫ৰ উপধাৰা (২)ৰ অধীনত আপীলৰ প্ৰ-পত্ৰ ;

(ট) ধাৰা ২৬ৰ উপধাৰা (১)ৰ অধীনত ছপা আৰু বিতৰণ কৰিবলগীয়া ষ্টাম্পবোৰৰ মূল্য আৰু নক্সা ;

(ঠ) প্ৰপত্ৰ আৰু ৰীতি য'ত ষ্টাম্পসমূহৰ হিচাপ ধাৰা ২৬ৰ উপধাৰা (৫)ৰ অধীনত ৰখা হ'ব ;

(ড) ধাৰা ২৭ৰ উপধাৰা (১)ত প্ৰথম পৰন্তুকৰ অধীনত বিহিত কৰা দৰে পঁচিশ টকাৰ অনধিক মূল্যৰ ষ্টাম্প ;

(ঢ) ধাৰা ২৭ৰ উপধাৰা (১)ৰ দ্বিতীয় পৰন্তুকৰ অধীনত প্ৰত্যেক ওকালত নামাৰ ওপৰত সংযোজিত কৰিবলগীয়া ষ্টাম্পৰ মূল্য ;

(ণ) ধাৰা ২৭ৰ উপধাৰা (৪)ৰ অধীনত ষ্টাম্পসমূহৰ বাতিলকৰণৰ ৰীতি ;

(ত) অন্য যিকোনো বিষয় যিটো বিহিত কৰা হয় বা কৰিব পাৰি ।

নিয়মাৱলী আৰু অধিসূচনাসমূহ সংসদ বা ৰাজ্যিক বিধান মণ্ডলত উত্থাপিত কৰা হব।

৩৭। (১) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম আৰু ধাৰা ৩২ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা ইয়াক প্ৰণয়ন কৰাৰ পাছত বা জাৰি কৰাৰ পাছত

যথাশীঘ্রে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হব, যেতিয়া মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে অধিবেশন চলি থাকে যিটো এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনৰে ভুক্ত হব পাৰে, আৰু যদি অধিবেশনৰ অৱসানৰ ঠিক পূৰ্বে তাৰ অধিবেশনৰ পূৰ্বে বা পূৰ্বোক্ত ক্ৰমাগত অধিবেশনত উভয় সদনে সেই নিয়ম বা অধিসূচনাৰ যিকোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম বা অধিসূচনা প্ৰণয়ন কৰা বা জাৰি কৰা উচিত নহব, নিয়ম বা অধিসূচনা তাৰ পাচত কেৱল মাত্ৰ এনে সাল-সলনি ৰূপত প্ৰভাৱী হব বা যথাস্থিতি প্ৰভাৱহীন হব ; সেই বাবে, যিয়েই নহওঁক এনে যিকোনো সালসলনি বা ৰদকৰণে এই নিয়ম বা অধিসূচনাৰ অধীনত পূৰ্বে কৰা যিকোনো বৈধতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

(২) ৰাজ্য চৰকাৰৰ দ্বাৰা এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম আৰু ধাৰা ৩২ৰ অধীনত জাৰি কৰা প্ৰত্যেক অধিসূচনা ইয়াক প্ৰণয়ন কৰাৰ পাছত যথাশীঘ্ৰে প্ৰত্যেক ৰাজ্যিক বিধান মণ্ডলৰ প্ৰত্যেক সদনত, বা য'ত ই দুখন সদনেৰে গঠিত হয়, বা য'ত এনে বিধান মণ্ডল এখন সদনেৰে গঠিত হয়, সেই সদনত উত্থাপিত কৰা হব ;

ব্যাবৃত্তি । ৩৮ । এই অধিনিয়মৰ উপৰন্ধসমূহ ৰাজ্যসমূহলৈ প্ৰযোজ্য নহব যিবোৰত অনুসূচী II ৰ অধীনত বিনিৰ্দিষ্ট অধিনিয়মিতিসমূহ প্ৰযোজ্য হয় ।

অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ২০০১

## অনুসূচী--১

[ ধাৰা ২১ (১) আৰু ৩২ (১) চাওঁক ]

| নিধিৰ সদস্য হিচাবে বৰ্ষসমূহৰ সংখ্যা | কি হাৰত ৰাশি দেয় হব |
|---|---|
| (১) | (২) |
| ৩০ | ৩০.০০০ টকা |
| ২৯ | ২৯.০০০ টকা |
| ২৮ | ২৮.০০০ টকা |
| ২৭ | ২৭.০০০ টকা |
| ২৬ | ২৬.০০০ টকা |
| ২৫ | ২৫.০০০ টকা |
| ২৪ | ২৪.০০০ টকা |
| ২৩ | ২৩.০০০ টকা |
| ২২ | ২২.০০০ টকা |
| ২১ | ২১.০০০ টকা |
| ২০ | ২০.০০০ টকা |
| ১৯ | ১৯.০০০ টকা |
| ১৮ | ১৮.০০০ টকা |
| ১৭ | ১৭.০০০ টকা |
| ১৬ | ১৬.০০০ টকা |
| ১৫ | ১৫.০০০ টকা |
| ১৪ | ১৪.০০০ টকা |
| ১৩ | ১৩.০০০ টকা |
| ১২ | ১২.০০০ টকা |
| ১১ | ১১.০০০ টকা |
| ১০ | ১০.০০০ টকা |
| ৯ | ৯.০০০ টকা |
| ৮ | ৮.০০০ টকা |
| ৭ | ৭.০০০ টকা |
| ৬ | ৬.০০০ টকা |
| ৫ | ৫.০০০ টকা |
| ৪ | ৪.০০০ টকা |
| ৩ | ৩.০০০ টকা |
| ২ | ২.০০০ টকা |
| ১ | ১.০০০ টকা |

## অনুসূচী--II

[ ধাৰা ৩২ (২) আৰু ৩৮ চাওঁক ]

১। উত্তৰ প্ৰদেশ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৭৪ (১৯৭৪ৰ ৬)

২। বিহাৰ ৰাজ্যিক অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮৩ (১৯৮৩ৰ ১৬)

৩। মধ্য প্ৰদেশ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮২ (১৯৮২ৰ ৯)

৪। অন্ধ্ৰ প্ৰদেশ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮৭ (১৯৮৭ৰ ৩৩)

৫। উৰিষ্যা অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮৭ (১৯৮৭ৰ ১৮)

৬। ৰাজস্থান অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮৭ (১৯৮৭ৰ ১৫)

৭। তামিলনাড়ু অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮৭ (১৯৮৭ৰ ৪৯)

৮। গুজৰাট অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৯১ (১৯৯১ৰ ১৪)

৯। গোৱা অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৯৫ (১৯৯৭ৰ ২)

১০। অসম অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৯৮ (১৯৯৯ৰ অধ্যায় XVIII)

১১। মহাৰাষ্ট্ৰ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮১ (১৯৮১ৰ LXI)

১২। হিমাচল প্ৰদেশ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৯৬ (১৯৯৬ৰ ১৪ )

১৩। কেৰেলা অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮০ (১৯৮০ৰ ২১)

১৪। কৰ্ণাটক অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৮৩ (১৯৮৫ৰ ২)

১৫। পশ্চিমবঙ্গ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৯১ (১৯৯১ৰ XIII)

১৬। জম্মু আৰু কাশ্মীৰ অধিবক্তা কল্যাণ নিধি অধিনিয়ম, ১৯৯৭ (১৯৯৭ৰ XXVI)